**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ জগতিয়ালত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে।
২। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে অসমত লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ হৈছে।
৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হ'ব। ***আৰু***
৪। বিহাৰৰ খাগাৰিয়া জিলাৰ পাচৰাহা আৰক্ষী চকীৰ অন্তৰ্গত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৮ জন লোকৰ প্ৰাণহানি হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ জগতিয়ালত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। তেওঁ কয় যে, বিজেপি তেলেংগানাৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। জগতিয়ালৰ সভাত বিপুল জনসমাৰেশ হোৱাৰ কথাই ইয়াকে প্ৰতিপন্ন কৰে বুলি তেওঁ মত প্ৰকাশ কৰে। জগতিয়াল হৈছে তেলেংগানাৰ নিজামাবাদ লোকসভা সমষ্টিৰ এটা অংশ। শ্ৰীমোদীয়ে নিজামাবাদ, কৰিমনগৰ আৰু পেডাপল্লীৰ দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযান চলায়। যোৱা দুটা দিনত তেলেংগানাত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ এইটো তৃতীয়টো কাৰ্যসূচী। ইয়াৰ পূৰ্বে তেওঁ দুদিন আগেই মলকাজগিৰিত এটা বৃহৎ ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে নগৰকুৰনুলত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিছিল।

অন্ধ্ৰপ্ৰদেশৰ পালনাডু জিলাত কালি প্ৰধানমনন্ত্ৰী মোদীয়ে দলৰ প্ৰথমখন নিৰ্বাচনী সভাত ভাষণ দি কয় যে, এন ডি এৰ মিত্ৰজোঁটে আঞ্চলিক স্বাৰ্থ আৰু ৰাষ্ট্ৰীয় প্ৰগতি দুয়োটাকে সাৰোগত কৰি দেশৰ উন্নয়নৰ স্বাৰ্থত কাম কৰি গৈছে। তেওঁ লগতে কয় যে, এখন উন্নত ভাৰতৰ বাবে উন্নত অন্ধ্ৰপ্ৰদেশ গঢ়ি তোলাটো বিজেপি মিত্ৰজোঁটৰ অন্যতম লক্ষ্য। উল্লেখযোগ্য যে এয়া হৈছে অন্ধ্ৰপ্ৰদেশত এন ডি এৰ অংশীদাৰ দলসমূহৰ সৈতে ১০ বছৰৰ পাছত অনুষ্ঠিত হোৱা প্ৰথমখন নিৰ্বাচনী সভা। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অহা ১৩ মে'ত বিধানসভা নিৰ্বাচনো অনুষ্ঠিত হ'ব।

০০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে অসমত লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ হৈছে। ৰাজ্যখনত ১৪ খন আসনৰ বাবে তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপি আৰু ইয়াৰ মিত্ৰদল অসম গণ পৰিষদ আৰু ইউ পি পি এলে ১৪ খন আসনৰ বাবেই তেওঁলোকৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিয়ে ১১ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে অসম গণ পৰিষদে দুখন আৰু ইউ পি পি এলে এখন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কংগ্ৰেছ দলে ১২ খন আসনত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলটোৱে ডিব্ৰুগড়ত অসম জাতীয় পৰিষদক সমৰ্থন আগবঢ়াব। ইপিনে, টি এম চি, আপ, বড়োলেণ্ড পিপ'লছ ফ্ৰণ্ট, চি পি আই এম আদি দলেও ইতিমধ্যে নিজ নিজ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কৰিমগঞ্জ আসনখনৰ বাবে প্ৰচাৰ অভিযান চলাব। বিভিন্ন ৰাজনৈতিক দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলেও সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজহুৱা সভা আৰু সমাৰেশত অংশগ্ৰহণ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীনগৰৰ **দাল্লেকত** প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ফৰ্মূলা -ফ'ৰ বাহন প্ৰদৰ্শনীয়ে জম্মু-কাশ্মীৰৰ নৈসৰ্গিক শোভাৰ বহুল প্ৰচাৰত সহায় কৰিব বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ভাৰতে মটৰ স্পৰ্টছৰ উন্নতিৰ বাবে বৃহৎ সুযোগ প্ৰদান কৰে আৰু এই স্পৰ্টছ অনুষ্ঠিত কৰিব পৰা স্থানসমূহৰ ভিতৰত শ্ৰীনগৰ আটাইতকৈ শীৰ্যত আছে। উল্লেখযোগ্য যে, শ্ৰীনগৰৰ **দাল্লেকত** কালি প্ৰথমবাৰৰ বাবে ফৰ্মূলা -ফ'ৰ বাহন প্ৰদৰ্শন কৰা হয়।

০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হ'ব। ভাৰতৰ সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে এই ষ্টাৰ্টআপ মহাকুম্ভৰ আয়োজন কৰা হৈছে। অহা ২০ মাৰ্চলৈ চলিবলগীয়া এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা, বি টু বি, কৃষি প্ৰযুক্তি, জলবায়ু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ষ্টাৰ্টআপসমূহ দেখিবলৈ পোৱা যাব। বিনিয়োগকাৰী আৰু উদ্যোগখণ্ডৰ অংশীদাৰসকলক ভাৰতীয় ষ্টাৰ্টআপৰ সৈতে জড়িত কৰাই হৈছে এই অনুষ্ঠানৰ উদ্দেশ্য। নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত কালি ডি পি আই আই টিৰ সচিব ৰাজেশ কুমাৰ সিঙে কয় যে, দেশৰ ৰাজধানীত বৃহৎ পৰিসৰত আয়োজন কৰা ষ্টাৰ্টআপ মহাকুম্ভ হৈছে এনেধৰণৰ প্ৰথমটো অনুষ্ঠান। ভাৰত ষ্টাৰ্টআপৰ ক্ষেত্ৰত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি শ্ৰী সিঙে কয় যে, প্ৰতিদিনেই ষ্টাৰ্টআপৰ সংখ্যা বৃদ্ধি পাই আছে। ২০১৬ চনত ষ্টাৰ্ট আপ পদক্ষেপ আৰম্ভ কৰাৰ সময়ত কেৱল ৩০০টা ষ্টাৰ্ট আপহে আছিল আৰু এতিয়া দেশত এই সংখ্যা বৃদ্ধি হৈ ১ লাখতকৈও অধিক হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানটোত দুহেজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৩০ হাজাৰ ভৱিষ্যতৰ উদ্যমী, ৫০ হাজাৰ ব্যৱসায়িক অভ্যাগত আৰু ১০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

oooooo

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে অসম বিধানসভাৰ সহযোগত গুৱাহাটীত আজি ৰাজ্য চৰকাৰৰ সকলো চৰকাৰী বিভাগৰ সৈতে যোগাযোগ ব্যৱস্থা উন্নত কৰি তোলাৰ লগতে বিধানসভাৰ কাম-কাজ কাগজবিহীনভাৱে কৰাৰ উদ্দেশ্যে **ৰাষ্ট্ৰীয় ই-বিধান এপ্লিকেশ্যন-নেভা** আয়োজন কৰিছে। অসম বিধানসভাৰ কাম-কাজ পৰিচালনাৰ ক্ষেত্ৰত অধিক গতিশীল হৈ পৰিব বুলি আশা কৰা হৈছে। এই ব্যৱস্থা কাৰ্যকৰী হ'লে সদনৰ সকলো বৈদ্যুতিন কাম-কাজ কাগজবিহীনভাৱে কৰা, চৰকাৰী বিভাগসমূহৰ মাজত অবিৰত ই যোগাযোগত উৎসাহিত কৰে আৰু কেন্দ্ৰীয় চৰকাৰৰ **গো-গ্ৰীণ** পদক্ষেপৰো সহায়ক হ'ব। এই ব্যৱস্থাৰ জৰিয়তে হাজাৰ হাজাৰ টন কাগজৰ সঞ্চয় হ'ব আৰু এয়া পৰিৱেশৰ বাবে অনুকূল হ'ব। তদুপৰি এই পদক্ষেপে ভিডিঅ' কনফাৰেন্স আন্তঃগাঁথনিৰ বিকাশ কৰাৰ লগতে পুৰণি ৰেকৰ্ডসমূহ ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ বাবে ডিজিটেল লাইব্ৰেৰীৰ উত্তৰণতো সহায় কৰিব। **নেভা**-ৰ জৰিয়তে প্ৰশাসনিক কাম-কাজৰ সুবিধা হ'ব। দুদিনীয়া এই কৰ্মশালাখন কাইলৈ সামৰণি পৰিব।

oooooo

বিহাৰৰ খাগাৰিয়া জিলাত পাচৰাহা আৰক্ষী চকীৰ অন্তৰ্গত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৮ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ৩ জন লোক আহত হৈছে। আৰক্ষী সূত্ৰই জনাইছে যে, এখন চাৰিচকীয়া বাহন আৰু এখন ট্ৰেক্টৰৰ মাজত হোৱা সংঘৰ্ষৰ ফলতেই এই দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে, ঘটনাটোত নিহত আটাইকেইজনে একেটা পৰিয়ালৰ আৰু তেওঁলোকে এখন বিবাহ অনুষ্ঠানৰ পৰা উভতি আহি আছিল। আহত লোকসকলক ভগলপুৰ আৰু ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। দুৰ্ঘটনাটো হোৱাৰ পাছতে ট্ৰেক্টৰখনৰ চালকজন আৰু আন সহযোগীসকলে ঘটনাস্থলীৰ পৰা পলায়ন কৰে।

oooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ঐতিহাসিক জয় সাব্যস্ত কৰি পঞ্চমটো কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছে। পুটিনে তেওঁৰ এই জয় তেওঁৰ ওপৰত দেশৰ আস্থা আৰু আশাৰ প্ৰতিফলন বুলি মন্তব্য কৰে। মুঠ ৮৭ শতাংশ ভোট লাভ কৰি তেওঁ ছবছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত হয়। এই জয়েৰে পুটিনে যোছেফ ষ্টেলিনৰ অভিলেখ ভংগ কৰি ৰাছিয়াৰ আটাইতকৈ দীৰ্ঘকালীন নেতা হিচাপে পৰিগণিত হয়।

oooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। কাইলৈ আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ধাৰ্য কৰা হৈছে।

oooooo

মালেত কালি ভাৰত-মালদ্বীপৰ উচ্চস্তৰীয় ক'ৰ গোটৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দুই পক্ষই ভাৰতীয় কাৰিকৰী কৰ্মীয়ে চলি থকা প্ৰতিনিধিত্বৰ বিষয়ে পৰ্যালোচনা কৰে, যাতে মালদ্বীপৰ জনসাধাৰণক মানবীয় সেৱা প্ৰদান কৰা ভাৰতীয় বিমান পৰিবহণ মঞ্চসমূহৰ পৰিচালনা অব্যাহত ৰাখিব পৰা যায়।বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিভাগীয় বিবৃতিযোগে জনাইছে যে, এই বৈঠকৰ সময়ছোৱাত দুয়োপক্ষই দ্বিপাক্ষিক সহযোগিতাৰ সৈতে জড়িত ব্যাপক বিষয়সমূহৰ ওপৰত আলোচনা অব্যাহত ৰাখিছে। এই আলোচনাত দ্বিপাক্ষিক বাণিজ্যি আৰু বিনিয়োগ উন্নীতকৰণত ভাৰত আৰু মালদ্বীপৰ মাজত জনসাধাৰণৰ সংযোগ বৃদ্ধিৰ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে মালদ্বীপত ভাৰতীয় সেনাৰ প্ৰথমটো গোটৰ ঠাইত কাৰিকৰী কৰ্মীক নিযুক্তি দিয়া হৈছে বুলি যোৱা শুকুৰবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

আৰৱ সাগৰত ৪০ ঘণ্টাজুৰি চলা অভিযানৰ পাছত ভাৰতীয় নৌসেনাৰ যুদ্ধ জাহাজ আই এন এছ্ কলকাতাই গ্ৰেপ্তাৰ কৰা ৩৫টা সামুদ্ৰিক ডকাইতক ভাৰতলৈ আনিবলৈ সাজু হৈছে। নৌসেনাৰ বিষয়াই জনোৱামতে যুদ্ধ জাহাজখনে এই ৩৫টা সামুদ্ৰিক ডকাইতক নিজৰ জিম্মাত লোৱাৰ লগতে বৃহৎ অভিযানৰ পাছত উদ্ধাৰ কৰা ১৭জনীয়া চালক দলৰ সদস্যসকলকো ভাৰতলৈ আনিব। অভিযানৰ সময়ত ভাৰতীয় নৌসেনাই সামুদ্ৰিক ডকাইতকেইটাক আত্মসমৰ্পণ কৰাৰ বাবে বাধ্য কৰায়। জাহাজখনে কালি সংকটত থকা বাণিজ্যিক জাহাজ **এম ভি ৰুয়েনৰ** চালকদলৰ ১৭জন সদস্যকো উদ্ধাৰ কৰে। উল্লেখযোগ্য যে আৰৱ সাগৰৰ অভিযানত নিয়োজিত আই এন এছ্ কলকাতাই সুদীৰ্ঘ ৪০ ঘণ্টাজোৰা প্ৰচেষ্টাৰ পাছত ২০২৩ চনৰ ডিচেম্বৰ মাহত অপহৰণ কৰা **এম ভি ৰুয়েন** নামৰ বাণিজ্যিক জাহাজখন চ'মালীৰ সামুদ্ৰিক ডকাইতৰ কবলৰ পৰা উদ্ধাৰ কৰে।

০০০০০০

ঃসমাপ্তঃ